প্ৰয়োজনবশতঃ এখন উপন্যাস তিনি দিন তিনি ৰাতি একেলেথাৰিয়ে লিখি উলিয়াই আলোচনীত প্ৰকাশৰ বাবে প্ৰেৰণ কৰিছিল। কাৰোবাক লেখা এটা অমুক দিনা দিম বুলি কথা দিলে দুদিন আগতেই সাজু হৈ উঠে। আনকি সুবৃহৎ উপন্যাস একোখনৰ প্ৰণয়নত হাত দিয়াৰ পূৰ্বেও সময়সীমা নিৰ্ধাৰণ কৰি লয়, আৰু তাৰবাবে প্ৰয়োজনীয় প্ৰধান কাৰ্যবিলাক শৃংখলাবদ্ধভাৱে আৰু সময়ত সম্পাদন কৰিবৰ বাবে পৰিকল্পনা যুগুত কৰি লয়। সময়ানুৱৰ্তিতা সকলো গুৰুত্বপূৰ্ণ কাৰ্যতে বৰ্তাই ৰখাটো তেখেতৰ স্বভাৱ বুলিবই পাৰি। সভা-সমিতিলৈ যাবলৈ সময়তকৈ কিছু আগতেই সাজু হয়। আনকি দৈনিক আহাৰ গ্ৰহণৰ বাবে খোৱা মেজত উপস্থিত হওঁতেও বৰ্তাই ৰাখিছিল সময়ানুৱৰ্তিতা। তেখেতৰ এই গুণটো সবল হোৱাত পত্নী শ্ৰীযুতা মাধুৰী বৰাৰ ভূমিকা অৱশ্যেই উল্লেখযোগ্য। এইগৰাকী মহীয়সী নাৰীয়ে সকলো কাম ঘড়ীৰ কাঁটাই কাঁটাই কৰে, সকলো ক্ষেত্ৰতে ষোলঅনা শৃংখলাবদ্ধতা বৰ্তাই ৰাখে, বান্ধি লোৱা ৰীতি-নীতি নিখুঁতভাৱে মানি চলে, আৰু পৰিয়ালৰ সকলো সদস্যক সেইখিনি মানি চলাত অনন্য সুদক্ষতাৰে নেতৃত্ব দিয়ে। তদুপৰি সকলো দিশত সবল আৰু সফলভাৱে ঘৰ-সংসাৰ আৰু দায়িত্বশীল চাকৰি চলোৱাতো তেখেত সিদ্ধহস্ত। সেয়েহে স্বনামধন্য সাহিত্যিকগৰাকীয়ে তেখেতৰ সফলতাৰ আঁৰত পত্নীৰ প্ৰভূত বৰঙণিৰ কথা ৰাজহুৱাকৈও কেইবাবাৰো সুঁৱৰিছে। এটা সাক্ষাৎকাৰত ‘ আপোনাৰ সফলতাৰ আঁৰত ?’ প্ৰশ্নৰ উত্তৰত কৈছিল—“মোৰ পত্নীকেই ক’ব লাগিব। তেওঁ মোক ঘৰুৱা জঞ্জালৰ পৰা মুক্তি দি পৰম উপকাৰ সাধিছে। লগতে আমি দুয়োজনেই চাকৰি কৰোঁ। গতিকে অৰ্থনৈতিক সংকটো নাই। সেয়ে লিখিবলৈ অসুবিধা পোৱা নাই।”

## কঁহুৱা কোমল দৰদী মন আৰু সহমৰ্মিতা

খাটিখোৱা শ্ৰেণীৰ দুখ-দুৰ্দশা, চিন্তা-ভাবনা, আশা-নিৰাশাদি জানিবলৈ তেখেত আছিল সদা আগ্ৰহী; আৰু সমভাগী হৈছিল স্বভাৱজাত দৰদী মনেৰে। সেয়েহে কিজানি তেনে পৰ্যায়ৰ লোক লগ পালেই আগ্ৰহ কৰিছিল তেওঁলোকৰ মন-গহনৰ ভাব আৰু আৰ্থ-সামাজিক সমস্যাদিৰ বিষয়ে জানিবলৈ। সুবিধা পালেই তেনে লোকৰ লগত আলোচনা কৰিছিল সহানুভূতিশীল আৰু বন্ধুত্বপূৰ্ণ আচৰণেৰে। উদাহৰণস্বৰূপে ব্যক্তিগত গাড়ীত বহি ক’ৰবালৈ যাত্ৰা কৰাৰ আৰম্ভণিৰ পৰা শেষলৈকে বিভিন্ন বিষয়ক কথা পাতি গৈছিল চালকজনৰ লগত। বাতৰিকাকতৰ হকাৰজনৰ পৰা বাতৰিকাকত লওঁতে মাজে-সময়ে সুধিছিল—“আজি হট নিউজ কি আছেহে?” ইতিমধ্যে সহজ তথা বন্ধুসুলভ ব্যৱহাৰত অভ্যস্ত হকাৰজনেও একোটা বিষয়ত কেতিয়াবা বেচ কিছুসময় নিজৰ মত ব্যক্ত কৰিছিল। খোজনীয়া-মগনীয়াৰ লগতো কেতিয়াবা বৰ সহৃদয়তাৰে কথা পাতিছিল। সৃষ্টিশীল সাহিত্যিকগৰাকীৰ এই দৰদী আৰু অনুসন্ধিৎসু মন যে ঈশ্বৰপ্ৰদত্ত সেইটো উপলব্ধি কৰিব পাৰি তেখেতৰ অন্তৰত আজীৱন বৈ ৰোৱা কৃষিজীৱী আৰু শ্ৰমজীৱী লোকৰ প্ৰতি অপৰিসীম সহানুভূতি, অনুকম্পা আৰু চেনেহৰ এনাজৰীৰ বহিঃপ্ৰকাশ ঘটা কালজয়ী সৃষ্টিশীল সাহিত্যৰাজিৰ জৰিয়তে। ‘গঙা চিলনীৰ পাখি’কে ধৰি তেখেতৰ অধিকাংশ লেখাত প্ৰকাশ পাইছে এই শ্ৰেণীৰ লোকৰ মনৰ বেথা আৰু জীৱন যুঁজৰ সংগ্ৰাম। সোণাইপৰীয়াৰ বিষয়ে নিজেই লিখি থৈ গৈছে—“মই মোৰ শৈশৱ আৰু প্ৰথম যৌৱন সোণাইপাৰতে অতিবাহিত কৰিলোঁ, আৰু তাৰ সাধাৰণ খাটিখোৱা শ্ৰমজীৱী মানুহৰ মাজত বিলীন কৰি দিলোঁ মোৰ সত্তা।” সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত তেখেতৰ বিশিষ্ট উপন্যাস ‘পাতাল ভৈৰৱী’ সৃষ্টিৰ আৰম্ভণিও ঘটিছিল উল্লিখিত দৰদী আৰু বিশিষ্ট অনুসন্ধিৎসু মনৰ যোগেদিয়েই। ডিব্ৰুগড়ৰ আমোলাপট্টি নিবাসী জেঠৈৰীয়েক স্বৰ্গীয় কল্যাণ বৰুৱাৰ লগত টুলুঙা নাও এখনত উঠি ব্ৰহ্মপুত্ৰৰ চাপৰিলৈ যাওঁতে সাহিত্যিকগৰাকীয়ে স্বভাৱবশতঃ নাৱৰীয়া দুজনৰ লগত কথা পাতি গৈছিল। সেই কথোপকথনতে উপলব্ধি কৰিছিল উপন্যাসখনৰ সম্ভাৱনীয়তা, আৰু পশ্চাৎ ক্ষেত্ৰভিত্তিক অধ্যয়নলব্ধ তথ্যৰ ভিত্তিত সৃষ্টি কৰিছিল যুগজয়ী উপন্যাসখন।

## নিৰ্বাচিত দায়িত্বশীলতা

সুদীৰ্ঘ ছটা দশকতকৈও অধিক কাল ধৰি চাৰিকুৰিতকৈও অধিক মূল্যৱান গ্ৰন্থ প্ৰণয়নেৰে অসমীয়া সাহিত্যক এটা বিশেষ মাত্ৰা প্ৰদান কৰা কথাৰত্নগৰাকীয়ে ঘৰ পৰিচালনা আৰু সন্তান লালন-পালনাৰ্থে কৰিবলগীয়া বিভিন্ন দৈনন্দিন কাম-কাজ বিশেষ কৰিবলগীয়া হোৱা নাছিল। কাৰণ ইতিমধ্যে উল্লেখ কৰা হৈছে যে তেখেতৰ পত্নী মাধুৰী বৰা আছিল অতি দক্ষ গৃহিণী। তদুপৰি তেখেতৰ তিনিওটা সন্তান সকলে পৰাই এফালে সুস্বভাৱ-চৰিত্ৰৰ আৰু আনফালে বেচ মেধাসম্পন্ন। সেয়ে হ’লেও সন্তানৰ উৎকৰ্ষ সাধন আৰু বৌদ্ধিক বিকাশৰ প্ৰতি তেখেত আছিল সদা সচেতন আৰু সচেষ্ট। সকলে পৰাই পাঠ্যপুথিৰ ওপৰঞ্চি বিভিন্ন কিতাপ পঢ়াৰ অভ্যাস গঢ়িবলৈ চেষ্টা কৰিছিল। নিৰ্বাচিত কিতাপ আনি দিছিল। জীৱনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবিলাক লোৱাৰ ক্ষেত্ৰত পুতেক-জীয়েকহঁতে মুখ্যতঃ দেউতাকৰ লগতে আলোচনা কৰিছিল, আৰু তেখেতে অতি গুৰুত্ব সহকাৰে তথ্যাদিৰ ভিত্তিত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণত সহায় কৰিছিল। নিজৰ মতকে মানি লোৱাবলৈ জোৰ-জুলুম কৰাৰ পৰা বিৰত আছিল বুদ্ধিমত্তাৰে। উদাহৰণস্বৰূপে পুত্ৰ স্বৰূপে উচ্চ পৰ্যায়ৰ প্ৰতিষ্ঠানত ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমত নামভৰ্তিৰ যোগ্যতা লাভ কৰাৰ পাছতো গণিতত অনাৰ্ছ লৈ পঢ়িব খোজাত পৰিয়াল-শুভাকাংক্ষীসকলে সমৰ্থন দিব পৰা নাছিল, কিন্তু সৌহাৰ্দপূৰ্ণ আলোচনাৰ অন্তত তেখেতে সমৰ্থন কৰিছিল পুত্ৰৰ মতকে। পাছত সেই পুত্ৰক সততে উৎসাহিত কৰিছিল নামী বিশ্ববিদ্যালয়ত পি এইছ ডি কৰিবলৈ আৰু উচ্চ পৰ্যায়ৰ শিক্ষা প্ৰতিষ্ঠানত শিক্ষকতা কৰিবলৈ। সেই পুত্ৰ বৰ্তমান গুৱাহাটী আই আই টিৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক। সাহিত্যানুৰাগী বৰ পুত্ৰ ত্ৰিদিবক উৎসাহিত কৰিছিল সাহিত্য-সংস্কৃতিৰ লগত সম্বন্ধিত চাকৰিত যোগদান কৰিবলৈ। তেওঁ বৰ্তমান জনসংযোগ বিভাগৰ এছিষ্টেণ্ট ডাইৰেক্টৰ। সাধাৰণতঃ জীয়েকৰ প্ৰতি পিতৃৰ মৰম পুত্ৰতকৈ সুকীয়া। জীয়েক সেউজীৰ প্ৰতি তেখেতৰ মৰমত এই কথা বেচ ফুটি উঠিছিল। জীয়েকক উৎসাহিত কৰিছিল ঘৰতে থাকি অসম কৃষি বিশ্ববিদ্যালয়ত পঢ়ি তাতে বিজ্ঞানী হিচাপে কৰ্মৰত হ’বলৈ । স্বনামধন্য পিতৃৰ উপদেশ মানি লৈ পঢ়ি বৰ্তমান তেওঁ সেই বিশ্ববিদ্যালয়ত এগৰাকী প্ৰধান বিজ্ঞানী। সেই বিশ্ববিদ্যালয়ত কৰ্মৰত অধ্যাপকলৈ বিয়া দিয়াৰ প্ৰস্তাৱ চূড়ান্ত কৰোঁতেও তেখেতে লৈছিল মুখ্য ভূমিকা।

## সন্তোষিত অভিযোজন আৰু সৌহাৰ্দপূৰ্ণ আচৰণ

সফল আৰু সুখী জীৱনৰ বাবে অভিযোজন সক্ষমতা অত্যন্ত উপাদেয় বাবেই ই মনোবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত। সন্তুষ্টি আৰু অভিযোজন পৰস্পৰ পৰিপূৰক। ব্যক্তি এজনে জীৱনযাত্ৰাত সন্তোষিত মনেৰে যিমানে অভিযোজন কৰিব পাৰে সিমানে বিভিন্ন ক্ষেত্ৰত সফলতা আৰু সুখ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে অসন্তোষ মনেৰে অভিযোজন কৰিবলগীয়া হোৱাটো এফালে কষ্টকৰ আৰু আনফালে কম সুফলপ্ৰদ নাইবা কুফলপ্ৰদ হয়। যশস্বী সাহিত্যিকগৰাকীৰ অভিযোজন সক্ষমতা অতি উচ্চ পৰ্যায়ৰ আৰু স্বভাৱজাত। যিকোনো পৰিস্থিতিতে নিজকে খাপ খুৱাই ল’ব পাৰে বেচ সন্তোষিত মনেৰে। অভিযোজন সক্ষমতাৰ লগতে সন্তোষিত আৰু দৰদী মনৰ অধিকাৰী হোৱা বাবেই তেখেতে ঘৰে-পৰে